প্ৰথম দিনা কেমেৰাৰ সন্মুখত অভিনয় কৰাটো সকলো শিল্পীৰ বাবে যেনেদৰে স্মৰণীয় আৰু ৰমণীয় ঘটনা, মোৰ ক্ষেত্ৰতো তাৰ ব্যতিক্ৰম ঘটা নাই। বিশেষকৈ প্ৰেমৰ আবেগ সৰ্ব্বস্ব দৃশ্যবোৰত অভিনয় কৰোঁতে মই হেনো সহজ হ'ব পৰা নাছিলোঁ—এই অভিযোগ শ্ৰীজুৰোই মোৰ আগত প্ৰায়ে কৰিছিল। প্ৰথম অৱস্থাত ছবিজগতত ব্যৱহাৰ হোৱা পাৰিভাষিক শব্দবোৰে বেমেজালিত পেলাইছিল যদিও পিছত গৈ সেই-বোৰৰ সৈতে একাত্মীয়তা অনুভৱ কৰিছিলোঁ। কেতিয়াবা বহুদূৰ খোজকাঢ়ি গৈ খোৱা-শোৱা ত্যাগ কৰি দূৰণিবটীয়া ঠাইত শুটিঙৰ বাবে উপস্থিত হ'ব লাগিছিল। পৰিচালকে উপদেশ দিছিল শিল্পী হ'বলৈ হ'লে ধৈৰ্য থাকিব লাগিব, সকলোৰে সৈতে মিলি যাব পাৰিব লাগিব।

—✲—

# অৰুণাচলত এভুমুকি

—ললিত চন্দ্ৰ বড়ো
উঃ মাঃ প্ৰথম বাৰ্ষিক

পৰীক্ষা চকীত প্ৰায় আধা ঘণ্টামান সময় এনেয়ে কটালো। ইফালে বেলিও লহিয়াইছে। অচিনাকি ঠাই অচিন মানুহ, বেলি যিমানে লহিয়াইছে মনৰ সংশয়ো সিমানে বৃদ্ধি পাইছে। অনুমতি পত্ৰ নোহোৱা কথাটো পুলিচক কলোঁ। পুলিচে ওচৰতে থকা কাৰ্যালয়ৰ পৰা 'চাৰ্কুলাৰ অফিচাৰ'ৰ যোগেদি প্ৰৱেশ পত্ৰ সংগ্ৰহ কৰিবলৈ ক'লে। কাৰ্যালয় বন্ধ কৰিবলৈ মাত্ৰ দহ মিনিট সময় বাকী আছে। লৰালৰিকৈ গৈ অফিচাৰক নমস্কাৰ জনাই মোৰ সমস্যাটোৰ কথা কলোঁ। তেওঁ কিন্তু মোৰ কথাত কোনো সঁহাৰি নিদিলে। নানা ধৰণেৰে মোৰ কথাখিনি বুজাবলৈ চেষ্টা কৰিলো, মানুহজনে কিন্তু কোনো সহায়েই নকৰিলে। হতাশ হলোঁ যেনেদৰে, ক্ষুণ্ণও হলোঁ। ইমান আঁকোৰগোজ। উপায় নেদেখি তাৰ পৰা গুচি আহিলো। বৰ বিমোৰত পৰিলো, ৰাতিটো কটোৱাৰ বাবে। ইপিনে আন্ধাৰে মেদিনী গ্ৰাস কৰি আহিছে। ঠাইখনত দোকান বুলিবলৈ মাত্ৰ দুখনমান সৰু তামোল-পাণৰ দোকান। হোটেল দূৰৰেই কথা। থকাৰ কিবা ব্যৱস্থা আছে নেকি দোকানী এজনক সুধিলো। তেওঁ ওচৰৰ ডাক বঙলাটোৰ কথা ক'লে। ৰাতি থকাৰ ব্যৱস্থা তাতেই হ'ল। থকা-খোৱাৰ কষ্ট নহল। বান্ধনি, চকিদাৰ সকলো আছে। ডাকবঙলাতে শইকীয়া দম্পতী এহাল লগ পালোঁ। আচল ঘৰ তিনিচুকীয়াৰ ডুমডুমাত। তেজুলৈ যাব। শইকীয়াই তাতেই চাকৰি কৰে। শ্ৰীমতী শইকীয়াও বয়ন শিল্পৰ লগত জড়িত। ল'ৰা-ছোৱালী দুটিৰে সুখী পৰিয়াল। তেওঁলোকক লগ পাই খুউব ভাল লাগিল। প্ৰসংগক্ৰমে মোৰ সকলো কথা ক'লো। শইকীয়াই ক'লে—"তুমি একো চিন্তা নকৰিবা। অহাকালি মোৰ লগত ওলাবা। প্ৰৱেশদ্বাৰ মই নিঃসন্দেহে পাৰ কৰাই দিম।" মই অতীব আনন্দিত হলোঁ। নিশাৰ আহাৰ একেলগে কৰিলো আৰু অইন এটা কোঠাত অকলে আনন্দমনে শুই থাকিলো। পিচদিনা সঁচাকৈ তেওঁলোকৰ সহায়ত অনায়াসে প্ৰৱেশদ্বাৰ অতিক্ৰম কৰিলো। ভাবিলো—চৰকাৰী নিয়ম, মানিলে একো কৰিব নোৱাৰি, কিন্তু ব্যতিক্ৰমে সকলো সহজ। অন্ততঃ অৰুণাচলৰ চৰকাৰী বিষয়া অসমীয়া চৰকাৰী বিষয়াৰ মাজত এইখিনি সাদৃশ্য প্ৰত্যক্ষ কৰিলো। এই ঘটনাটো ঘটিছিল অসম আৰু অৰুণাচলৰ সীমাত। ঠাইখনৰ নাম হ'ল ভূণপোৰা।

১৯৯২ ইং চনৰ ৩১ মে'ত মই ঘৰৰ পৰা অৰুণাচল অভিমুখে বাওনা হওঁ। মোৰ নিৰ্দিষ্ট

লক্ষ্য আছিল লোহিত জিলাৰ তেজু। বহুদিন আগৰ পৰাই তেজুলৈ যোৱাৰ সুযোগ বিচাৰি আছিলোঁ। অৱশ্যে মোৰ যোৱাৰ উদ্দেশ্য কেইবা-টাও আছিল আমাৰ মামাৰ ল'ৰা এটাই তেজুতে ইলেকট্ৰিকেলৰ এক ব্যক্তিগত প্ৰতিষ্ঠানত কাম কৰে, পাৰিলে তেওঁৰ লগতে লগ হৈ ময়ো সেই কাম কৰিম বুলি ভাৱিছিলো। মানুহে কয় অৰুণাচলত বোলে মানুহৰ সংখ্যা বৰ কম আৰু হাবি-বননেৰে ভৰপূৰ। পৰ্যটকৰ মনপৰশা প্ৰকৃতিৰ লীলাভূমি। এই লীলাভূমি চোৱা আৰু শেষৰ উদ্দেশ্যটো আছিল তেজুৰ নিচেই কাষতে থকা পৰশুৰামকুণ্ড বা ব্ৰহ্মকুণ্ড ঠাইখন চোৱা। অৰুণা-চললৈ ৰেল নাযায়। বাছেৰেও গুৱাহাটীৰ পৰা পোনপটীয়াকৈ তেজুলৈ যাব নোৱাৰি। কিন্তু ইটানগৰলৈ যোৱা পোনপটীয়া বাছ পোৱা যায়। গতিকে প্ৰথমতে মই তিনিচুকীয়ালৈ যোৱা 'অসম ট্ৰেভেলচ' নৈশ বাছ এখনৰ টিকট ললোঁ। তিনিচুকীয়াৰ পৰা চৈখোৱা ঘাটলৈ গুৱাহাটীৰ পৰা নৈশ বাছ চলে। কিন্তু মোৰ অজ্ঞতাৰ বাবে তেনেদৰে যাত্ৰা কৰা নহ'ল। গাড়ীখনে গুৱাহাটী এৰিব সন্ধিয়া ৭-১৫ মিনিটত। ইমান সময় কি কৰিম বুলি ভাবি বন্ধু এজনৰ থকা হোষ্টেললৈ ঢাপলি মেলিলোঁ। বন্ধুজন তেতিয়া ক্লাচত আছিল। ৰুমমেট দুজন আছিল, কিছুসময় অপেক্ষা কৰি-বলৈ কৈ এওঁলোকো ক্লাচলৈ ওলাই গ'ল। হাত-মুখ ধুই মইও বিছনাখনতে অলপ দীঘল দিলো। বাৰ বজাত বন্ধুজন ক্লাচৰ পৰা আহিল। সি অহাত কৰ টোপনি কলৈ গ'ল ক'ব নোৱাৰো। আমাৰ মাজত ভাল জমিল ; এৰা জমিবই, সি হ'ল ইঞ্জিনিয়াৰিঙৰ চূড়ান্ত বাৰ্ষিকৰ ছাত্ৰ। তাৰ পঢ়া-শুনাৰ পৰা আৰম্ভ কৰি, নতুনকৈ হোষ্টেলত সোমোৱা ছাত্ৰ-ছাত্ৰীৰ ৰেগিং কৰালৈ আৰু নতুনকৈ অহা মণিপুৰী ধুনীয়া ছোৱালী-জনীয়ো আমাৰ আলোচনাত ঠাই পালে। নিৰ্দিষ্ট সময়ত আমি ষ্টেচনলৈ গ'লো। ইতিমধ্যে সাত বাজিল, সেই ঠাইখনলৈ বাছখনো আহি পালে। যাত্ৰীবোৰে বাছত উঠিবলৈ ধৰিলে। বন্ধুজনৰ পৰা বিদায় ললোঁ। অইন যাত্ৰীৰ সৈতে ময়ো মোৰ নিৰ্দিষ্ট আসনখনত বহিলোঁ। গুৱাহাটী মহানগৰীৰ সোঁমাজেৰে ৩৭ নং ৰাষ্ট্ৰীয় পথেদি গাড়ীখন অগ্ৰসৰ হবলৈ ধৰিলে। মোৰ মনটো তেতিয়া ক'ব নোৱাৰাকৈ অৰুণাচলত প্ৰৱেশ কৰিলে।

ন-বজাত এঠাইত গাড়ীখন ৰখালে। যাত্ৰী-বোৰ প্ৰায় সকলো নামিল। গাড়ীৰ পৰিচালকে ক'লে কোনোবাই যদি খোৱা-লোৱা কৰে ইয়াতে খাই ল'ব পাৰিব, আগত আৰু সুবিধা নহব। যাত্ৰীসকলে তাতেই নৈশ আহাৰ গ্ৰহণ কৰিলে। উজনি অসমত ট্ৰাকৰ লাইনৰ দৰে নৈশ বাছৰ লাইন হয়। সেইকাৰণে চাগে নৈশ হোটেল-বোৰৰ ইয়াত অধিক তৎপৰতা। উল্লেখিত ঠাইখন আছিল মৰিগাঁও জিলাৰ জাগীৰোড। যাত্ৰীসকল কিছুসময়ৰ পিছত বাছত উঠিল। আমাৰ যাত্ৰা আকৌ আৰম্ভ হ'ল। আগতকৈ এইবাৰ গাড়ীখন তীব্ৰবেগত চলিলে। এখন হিন্দী কথাছবি ভি-ডি-অত লগাই দিলে। আধা ঘণ্টামান যোৱাৰ পাচত নগাঁও পালোঁ। দুই এজন যাত্ৰী উঠা নমা কৰিলে। নিশা বাৰ বজাত কাজিৰঙা হাবিৰ

মাজেৰে যাবলৈ ধৰিলে। এবাৰ ভুমুকিয়াই চাই পঠালো, নাই একো নাই ; ঘোপমৰা এন্ধাৰ, ইখন যে কাজিৰঙা কাষৰ যাত্ৰীজনৰ পবাহে সেইটো জানিব পাৰিলোঁ। কাজিৰঙাখন চোৱাৰ মোৰ খুবেই ইচ্ছা আছিল। যোৰহাট চহৰত সোমাওঁতে এক বাজিল। বিজুলীৰ পোহৰত যোৰহাটৰ দুই এটা শিক্ষানুষ্ঠান দেখিবলৈ পালোঁ। চাৰি বজাত ঐতিহাসিক শিৱসাগৰ চহৰখনত প্ৰৱেশ কৰিলোঁ। আলিৰ দাঁতিতে থকা বৃহৎ পুখুৰীটো আৰু তাৰ কাষতে থকা দৌল কেইটা দেখিয়ে মোৰ তাহানিৰ জয়মতী-গদাপাণিৰ কথা মনত পৰিল। ডিব্ৰুগড় জিলাৰ লানি নিছিগা চাহ বাগিচাবোৰৰ দৃশ্য চাবলগীয়া। এনেকৈ গৈ পুৱা ছয় বজাতহে তিনিচুকীয়া পালোঁ। সিদিনা কিনকিনীয়া বৰষুণ দি আছিল। তিনিচুকীয়াত বেছি সময় ঘোৰাৰ সময় নহ'ল। চৈখোৱা ঘাটলৈ যোৱা গাড়ী আহি পালে। ময়ো তৎক্ষণাৎ সিখন গাড়ীত উঠিলোঁ। চৈখোৱা ঘাটৰ পৰা ব্ৰহ্মপুত্ৰ নদী পাৰ হ'ব লাগে ফেৰীত। ইতিমধ্যে এক বজাৰ চৰকাৰী ফেৰী গুচি গ'ল। এখন ফেৰীৰে পাৰ হলো, ভাৰা ল'লে পঁচিশ টকা। সিটোপাৰৰ শদিয়া ঘাটটো পালো। ইয়াত দেখিছো যিবোৰ মালিকে ফেৰী কৰিছে তেওঁলোক বৰ লাভবান হৈছে। এই একেখন নদীকে পাৰ হওঁতে পঞ্চৰত্ন আৰু যোগীঘোপাত ভাৰা মাত্ৰ ৬০ পইচা, এতিয়া অংকটো মিলাই চাওক কিমান পাৰ্থক্য। শদিয়াৰ পৰা এখন চৰকাৰী বাছত চূণপোৰালৈ গলোঁ। চূণপোৰা পাওঁতে আবেলি ৩-৫০ বাজিল। পাতনিতে লিখা ঘটনাটোৱেই আছিল চূণপোৰাত ঘটা ঘটনা। এনেকৈ বহুত বাধা-বিঘিনি অতিক্ৰম কৰি দুই মে'ত দিনৰ এঘাৰ বজাত তেজু ঠাইখন পালোঁ।

তেজু এখন মনোৰম পাহাৰীয়া সৰু চহৰ। ইয়াৰ কাষেদি লোহিত নদীখন বৈ গৈছে। তেজু লোহিত জিলাৰ সদৰ আৰু শিক্ষা-বাণিজ্যৰ প্ৰধান কেন্দ্ৰ। আগতে অৰুণাচল কেন্দ্ৰ শাসিত ৰাজ্য আছিল, সম্প্ৰতি ই ৰাজ্য চৰকাৰৰ অধীনলৈ আহিছে। আগতেই উল্লেখ কৰিছো আমাৰ এজন সম্বন্ধীয় দাদা এই চহৰতে কাম কৰে। তাৰ কাম কৰা "ইউনিক ইলেকট্ৰিকেল লিমিটেড" প্ৰতিষ্ঠানটো বিচাৰি বিচাৰি পালোঁ। খবৰ কৰিলো দাদা নাই, কলিকতালৈ গৈছে। ভাইটি বুলি জানিব পাৰি দাদাৰ বন্ধুবোৰে ভাল পালে। তেওঁলোকৰ লগত থাকিলোঁ আৰু তাৰ ঠাইবোৰ চালোঁ। ইয়াত এখন ইন্দিৰা গান্ধী নামৰ চৰকাৰী মহাবিদ্যালয়, এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়, বিবেকানন্দ কেন্দ্ৰীয় বিদ্যালয় আৰু এখন ছোৱালী হাইস্কুল আছে। দূৰদৰ্শনৰ কেন্দ্ৰ, অনাতাঁৰ কেন্দ্ৰ, তাপবিদ্যুত প্ৰকল্প, বিমান কোঠ আৰু প্লাইউড উদ্যোগ আছে। সুন্দৰ সুন্দৰ গীৰ্জ্জাঘৰ আৰু ডনবস্ক স্কুলবোৰ সঁচাকৈ চকুত লগা, কিন্তু মই চাম বুলি ভাবি যোৱা ব্ৰহ্মকুণ্ড বা পৰশুৰামকুণ্ডহে চোৱা নহ'ল। তেজুৰ পৰাই হেনো পঁচিশ কিলোমিটাৰ আঁতৰত। ওচৰতে থকা এখন হাই-লং নামৰ পাহাৰলৈ গলোঁ। তেজুত বহুত অসমীয়া মানুহ আছে। তেওঁলোকে ইয়াত বেছিভাগেই চাকৰি কৰে। দোকান-

পাহাৰবোৰ অৰুণাচলৰ স্থায়ী বাসিন্দতকৈ ভাৰতৰ অইন অইন প্ৰান্তৰ মানুহৰেই বেছি। তেজুত এখন বিতোপন উদ্যান আছে, গধূলি পৰত সোমালে ওলাই আহিবলৈ মন নাযায়।

অৰুণাচল প্ৰকৃতিৰ লীলাভূমি। হিমালয় পৰ্ব্বত অৰুণাচলতো সোমাইছে আৰু ইয়াৰ ঠাল-ঠেঙুলিয়ে শিৰৰ মুকুটৰ দৰে শোভা কৰিছে। পাটকাই পৰ্ব্বত এখন লেখত লবলগীয়া পৰ্ব্বত। চুনপোৰাৰ পৰা তেজুলৈ গোটেই পথটোৰে হাবি-বনেৰে ভৰা। এনে এখন ঠাই নেদেখিলো য'ত গছ-গছনি নাই। আচৰিত কথা ৰাস্তাটোৰ ওপৰত এখন দলঙো পাবলৈ নাই। আনকি লোহিত নদীৰ ওপৰতো দলং নাই। ঠাইবোৰ এচলীয়া হোৱা বাবেই নদীবোৰ পানীৰে উপচি নেথাকে। বাছ ট্ৰাকবোৰ পানীৰ ওপৰেৰে চলাই নিয়ে। পৰ্ব্বতবোৰ আকাশলংঘী। গোটেই পৰ্ব্বত-পাহাৰবোৰ হলং, চিচু, তিতাচোপা আদিৰে আবৰা। ইয়াৰ হাবিত শাল গছ নাই। অৰুণাচলৰ হাবিত পোৱা এবিধ মূল্যবান গছ হ'ল ডালচিনি গছ। অৰুণাচলত প্ৰচুৰ পৰিমাণে গোমধান, মাকৈ আদি উৎপাদন হয়। নাচপতি, মাটিকঁঠাল, আলু-কচু, আদা আদিও ইয়াত পোৱা যায়।

অৰুণাচলৰ মানুহবিলাক স্বাস্থ্যবান, কামিলা আৰু সেইবাবেই হয়তো ৰাজ্যখন খাদ্যশস্যত স্বনিৰ্ভৰশীল। মতা-তিৰোতা নিৰ্ব্বিশেষে যেনেকৈ পৰিশ্ৰম কৰে, জিৰণি আৰু আমোদ প্ৰমোদৰ কাৰণেও তেনে সুব্যৱস্থা আছে। অৰুণাচলত আদি, ডফলা, মিচিমি, আপাদানি আদি জাতি-উপজাতি আছে। মানুহবোৰ চাংঘৰত থাকে। ঘৰবোৰ আধুনিক পদ্ধতিৰ হলেও চাঙৰ ওপৰত। অৰুণাচল মুখ্যত এখন মাতৃপ্ৰধান ৰাজ্য। ইয়াত তিৰোতা মানুহৰ প্ৰাধান্য বেছি। মতা মানুহবোৰে মূৰত কাপোৰ এখন মেৰিয়াই লয় আৰু ইয়াত চৰাইৰ পাখি সদৃশ কিবা কিবি গুজি লয়, কিন্তু মূৰতো ৰূপৰ মুদ্ৰাৰ মালা পিন্ধে। তিৰোতা-বোৰে আমাৰ ইয়াৰ বড়োসকলৰ দৰে দখনা পিন্ধে, অৰণ্যে চুটিকৈ পিন্ধে। তেওঁলোকে কিছু হ'লেও অসমীয়া বুজি পায়। উঠি অহা ল'ৰা-ছোৱালীবোৰে ইংৰাজী মাধ্যমৰ স্কুলত পঢ়ে আৰু তেওঁলোকে ভালদৰে ইংৰাজী কব পাৰে।

ইপদ-সিপদ বস্তু লওঁতে মোৰ টকাৰ বেগটোও সৰু হৈ আহিবলৈ ধৰিলে। তেজুত মই ঘূৰি-পকি দুদিন কটালোঁ। পাঁচ জুন তাৰিখে মই ঘৰলৈ বুলি উভতিলোঁ। যেন মই এখন স্বপ্ন ৰাজ্যৰ পৰাহে নামি আহিলোঁ।

অৰুণাচল প্ৰদেশৰ সংক্ষিপ্ত ভ্ৰমণৰ অন্তত মনলৈ কিছু বিক্ষিপ্ত চিন্তাও নহাকৈ নাথাকিল। বিদেশী পৰ্যটকৰ বাবে অকল অসমেই নহয়, সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলটোৱেই আকৰ্ষণৰ উৎস। ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য আৰু ঐশ্বৰ্যময় অতীতৰ কীৰ্তি স্থাপত্য ভাস্কাৰ্যই মানুহক আকৰ্ষণ কৰে অহৰহ। বিদেশী পৰ্যটকৰ পৰা লাভ কৰা বিদেশী মুদ্ৰা আজিকালি এটা ভাল ৰাজহৰ উৎস। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ অদূৰদৰ্শিতাই এই অঞ্চলৰ সম্ভাৱনাপূৰ্ণ বিদেশী মুদ্ৰা অৰ্জনৰ পথ ৰুদ্ধ কৰি ৰাখিছে। আজি বহু বছৰ ধৰি

এই অঞ্চলটোত প্ৰৱৰ্ত্তিত হৈছে 'ৰেছট্ৰিকটেড এৰিয়া পাৰ্মিট'। এই ব্যৱস্থা অনুসৰি উত্তৰ-পূৰ্বাঞ্চললৈ এজন দুজনৰ সলনি বহু বিদেশী একগোট হৈহে প্ৰৱেশ কৰিব পাৰে। অঞ্চলটোত থকা সময়ত প্ৰতি ২৪ ঘণ্টাৰ অন্তৰে অন্তৰে সমীপৱৰ্তী আৰক্ষী থানাত নিজৰ উপস্থিতিৰ কথা জনাই থাকিব লাগিব। বিদেশী পৰ্যটক থকাৰ বাবে ইয়াত কোনো ভাল হোটেল বা চৰকাৰী ব্যৱস্থা নাই। দেশৰ ভিতৰত বিদেশী পৰ্যটক প্ৰৱেশ কৰাৰ লগে লগে ছাঁৰ দৰে ঘূৰি ফুৰে চোৰাংচোৱা বিষয়া। অলপতে চাৰিগৰাকী শীৰ্ষস্থানীয় আন্তৰ্জাতিক পৰ্যটন সংগঠকৰ অসম ভ্ৰমণে চৰকাৰৰ অদূৰদৰ্শিতা প্ৰকট কৰি তুলিছে। তেওঁলোকৰ মন্তব্য —অঞ্চলটোত পৰ্যটকক আকৰ্ষণ কৰিব পৰা সামগ্ৰী যথেষ্ট; কিন্তু থকাৰ, খোৱাৰ ন্যূনতম সুবিধাকণো নাই। আৰু, এ, পি ৰ কটকটীয়া প্ৰয়োগ, চোৰাংচোৱাৰ তীক্ষ্ণ নজৰ—এইবোৰ অতিক্ৰম কৰি কোনো বিদেশী পৰ্যটক এই অঞ্চলৰ প্ৰতি আকৰ্ষিত নোহোৱাই স্বাভাৱিক। ৰাজ্য চৰকাৰে আৰ. এ, পিৰ বলৱৎ প্ৰত্যাহাৰ কৰিবলৈ কেন্দ্ৰক অনুৰোধ কৰিও বিফল হৈছে; অথচ অসমতকৈও স্পৰ্শকাতৰ অঞ্চল বিদেশী পৰ্যটকৰ ভ্ৰমণৰ বাবে সুচল কৰি ৰখা হৈছে। পাৰ পত্ৰ থকা কেইজনমান বিদেশী পৰ্যটকক উত্তৰ পূৰ্ব্বাঞ্চলত চৰকাৰে নিৰ্ব্বিঘ্নে চলা-ফুৰা কৰিবলৈ দিব নোৱাৰে; কিন্তু পাৰ পত্ৰ বিহীন শ শ বিদেশীৰ অবৈধ প্ৰব্ৰজনৰ বাবে অসমৰ দ্বাৰ আছে সদা উন্মুক্ত। ◻◻

---

যুগে যুগে আদান-প্ৰদানৰ কৰ্মস্থলীত যোগ-বিয়োগৰ পূৰণ হৰণৰ ভিতৰেদি সংস্কৃত হৈ হৈ শান্তি-শৃঙ্খলাৰ আনন্দক স্থায়িত্ব দি যি এটা সৌন্দৰ্য্যবোধৰ সমষ্টিগত সামাজিকতা গঢ়ি উঠিল, সেয়ে সেই ঠাই ডোখৰৰ লোক-সমষ্টিৰ সংস্কৃতি হ'ল।

— অম্বিকাগিৰী ৰায়চৌধুৰী

---



অলিম্পিক

# বাৰ্চিলোনা '৯২

গণেশ চন্দ্ৰ বড়ো
স্নাতক প্ৰথম বাৰ্ষিক

বিশ্বৰ মানুহৰ সৰ্ববৃহৎ ক্ৰীড়ানুষ্ঠান অলিম্পিক। গ্ৰীচ দেশৰ অলিম্পিয়াত এক ধৰ্মীয় অনুষ্ঠানৰ অঙ্গ হিচাপে যাৰ সূচনা হৈছিল; বৰ্ণাঢ্য ব্যাপকতা আৰু আন্তৰ্জাতিক চূড়ান্ত মানদণ্ডলৈ উত্তৰণ ঘটি —সিয়ে ৰূপ পালে আধুনিক অলিম্পিকৰ। ১৮৯৬ চনত গ্ৰীচ দেশৰ এথেন্সত অনুষ্ঠিত হোৱাৰে পৰা প্ৰতি চাৰি বছৰৰ অন্তৰে-অন্তৰে পৃথিৱীৰ বিভিন্ন দেশত আয়োজিত হৈ আহিছে অলিম্পিক সমাৰোহ 'দ্য গ্ৰেটেষ্ট শ্বো অন আৰ্থ'।

## ২৫তম্ অলিম্পিক ঃ

এইবাৰ বিশ্বৰ ২৫তম্ গ্ৰীষ্মকালীন অলিম্পিক অনুষ্ঠিত হয় স্পেইনৰ বাৰ্চিলোনা চহৰত। পৃথিৱীৰ ১৭২ খন দেশৰ ১৫,০০০ ক্ৰীড়াবিদে ইয়াত অংশ গ্ৰহণ কৰে। বাৰ্চিলোনা '৯২ নামেৰে চিহ্নিত এই সমাৰোহৰ বৈশিষ্ট্য হ'ল কোনো দেশে এইবাৰ অলিম্পিক বয়কোট কৰা নাছিল। ঐক্য আৰু সংহতিৰ বিৰল মিলন ক্ষেত্ৰলৈ পৰ্যবসিত হৈছিল বাৰ্চিলোনা '৯২।

## বাৰ্চিলোনা '৯২ ৰ উদ্বোধনী অনুষ্ঠান ঃ

স্পেইনৰ ৰজা জুৱান কাৰ্লোছে উদ্বোধনী অনুষ্ঠান মুকলি কৰে। আধুনিক কলা-কৌশলৰ সৈতে ঐতিহ্যময় স্পেইনীয় কলা-কৃষ্টিৰ অপূৰ্ব সংমিশ্ৰণ ঘটিছিল মণ্ট জুইক অলিম্পিক ষ্টেডিয়ামত। নীলা বৰণৰ চৰাই কিনীয়েৰীৰ ৰূপত লাস্যময়ী যুৱতী, ভূমধ্যসাগৰীয় ভয়ংকৰ প্ৰাণীৰ বিৰুদ্ধে যুঁজত অৱতীৰ্ণ হোৱা ৰোমান যোদ্ধা, হলিউদৰ স্পিলবাৰ্গৰ ছবিৰ দৰেই ৰহস্যময় কোনো অচিন জীৱৰ বিৰুদ্ধে জীৱন মৰণ সংগ্ৰাম মানৱ বীৰৰ। জুৱান লুইছ মৰেলিনাৰ সুমধুৰ সংগীতৰ লহৰে লহৰে 'চাৰদানা' নৃত্যত অংশ ললে স্পেইনীয় যুৱক-যুৱতীয়ে। মণ্টছেৰাট কাবালে, প্লেচিডো ডমিংগো, জ'ছ কৰেৰাচৰ সংগীতে মুখৰিত কৰিলে বাৰ্চিলোনাৰ আকাশ, বাৰ্চিলোনাৰ বতাহ। জ্বলন্ত কাঁড় নিক্ষেপ কৰি প্ৰজ্বলিত কৰা হল অলিম্পিক শিখা।

## প্ৰথম তিনিটা স্থানত ঃ

পূৰ্বৰ ছোভিয়েট ৰাশিয়া সম্প্ৰতি ৰাজনৈতিক ভাৱে বিপৰ্যস্ত, খণ্ড-বিখণ্ড। তৎসত্ত্বেও নতুনকৈ জন্ম হোৱা উনৈশ খন দেশে একেখন পতাকাৰ তলত একত্ৰিত হৈ আগৰ গৌৰৱ অক্ষুণ্ণ ৰাখিলে। ৪৫ টা সোণ, ৩৮ টা ৰূপ আৰু ২৯ টা ব্ৰঞ্জৰ পদক লাভ কৰি সন্মিলিত চি, আই, এছ বিশ্বৰ সৰ্বশ্ৰেষ্ঠ দল হিচাপে পৰিগণিত হয়।

ছিউল অলিম্পিকত আমেৰিকা যুক্তৰাষ্ট্ৰই যি পাৰদৰ্শিতা দেখুৱাইছিল, বাৰ্চিলোনাত সেই গৌৰব অটুট নাথাকিল। তথাপি ৩৭ স্বৰ্ণ, ৩৪ ৰৌপ, ৩৭ টা ব্ৰঞ্জৰ পদক লাভ কৰি দ্বিতীয় স্থানলৈ উন্নীত হৈ নতুন সাফল্যৰ চিনাকি দিয়ে।

পশ্চিম জাৰ্মানিয়ে ছিউলত স্থান লাভ কৰিছিল দ্বিতীয় আৰু পূৱ জাৰ্মানিয়ে পঞ্চম। বাৰ্চিলোনাত একত্ৰিত জাৰ্মানিয়ে তৃতীয় স্থানহে লাভ কৰিবলৈ সমৰ্থ হয়। সেই কালৰ পৰা একত্ৰিত জাৰ্মানিৰ ক্ৰীড়া নৈপুণ্যৰ অৱক্ষয় হৈছে বুলি কৰ পাৰি। তেওঁলোকে ৩৩ টা সোণ, ২১ টা ৰূপ আৰু ২৮ টা ব্ৰঞ্জৰ পদক লাভ কৰে।

## এছিয়াৰ ক্ৰীড়া জগতলৈ সাফল্য :

বাৰ্চিলোনা অলিম্পিকে এছিয়াৰ ক্ৰীড়া জগতলৈ এক বৈপ্লৱিক পৰিৱৰ্তন আনিলে। ইউৰোপ-আমেৰিকাৰ খেলুৱৈ তথা সংগঠক সকলে একপ্ৰকাৰ উপলুণ্ডাসূচক ধাৰণা পোষণ কৰি আহিছিল এছিয়াৰ ক্ৰীড়াবিদ সকলৰ প্ৰতি। এই বাৰ এছিয়াৰ চমকপ্ৰদ সাফল্যাই তেওঁলোকৰ পূৰ্বৰ ধাৰণা ধূলিসাৎ কৰিলে।

এছিয়াৰ দেশবোৰৰ ভিতৰত চীনে সামগ্ৰিক-ভাৱে ১৬ স্বৰ্ণ, ২২ টা ৰূপ আৰু ১৬ টা ব্ৰঞ্জৰ পদক লাভ কৰি বাৰ্চিলোনা অলিম্পিকত চতুৰ্থ স্থান লাভ কৰিবলৈ সমৰ্থ হয়। চীনৰ প্ৰতিযোগী সকলে জিমনাষ্টিক, সাঁতোৰ, শ্যুটিং আৰু এথেলে-টিকছত সুন্দৰ যোগ্যতা প্ৰদৰ্শন কৰে।

চীনৰ পিচতে উল্লেখযোগ্য সাফল্য লাভ কৰে দক্ষিণ কোৰিয়াই। ১২ টা সোণ, ৫ টা ৰূপ আৰু ১২ টা ব্ৰঞ্জৰ পদক লাভ কৰি দক্ষিণ কোৰিয়াই সপ্তম স্থান অধিকাৰ কৰে। আৰ্চাৰী, শ্যুটিং, বেডমিণ্টন, ৱেষ্টলিং, ভাৰোত্তোলন, জুডো, হেণ্ডবল, মাৰাথান আদি ইভেণ্টত দক্ষিণ কোৰিয়াই সাফল্য লাভ কৰে।

বাৰ্চিলোনা অলিম্পিকত উত্তৰ কোৰিয়াৰ পাৰ-দৰ্শিতাও চমকপ্ৰদ আছিল। ৱেষ্টলিং, বক্সিং, আৰু জিমনাষ্টিকৰ প্ৰদৰ্শন আছিল দৰ্শনীয়। জাপানে জুডো আৰু সাঁতোৰত স্বৰ্ণপদক লাভ কৰে। ইণ্ডোনেচিয়াই পুৰুষ মহিলা উভয় শাখাতে চিংগলছৰ খিতাপ অৰ্জন কৰি স্বৰ্ণপদক লাভ কৰাৰ সন্মান অৰ্জন কৰে বেডমিণ্টনত।

## অলিম্পিক ট্ৰায়েলত ব্যৰ্থতা :

কাৰ্ললুইচ, বেন জনচন, ফ্লোৰেন্স গ্ৰিফিট জয়নাৰ আদি খেলুৱৈ সকলে ছিউল অলিম্পিকত সৃষ্টি কৰা অভিলেখৰ কথা ক্ৰীড়ামোদীয়ে পাহৰি যোৱা নাই। বাৰ্চিলোনা অলিম্পিকৰ 'অলিম্পিক ট্ৰায়েল'ত এইসকল দুৰ্ধৰ্ষ খেলুৱৈৰ বিফল প্ৰদৰ্শনে আগ্ৰহী খেল প্ৰেমীকক হতাশ কৰে। বেন জনচনৰ খেলত অংশ গ্ৰহণ নকৰাকৈয়ে অলিম্পিক ভিলেজ পৰিত্যাগ, এনে বিফলতাৰ কাৰণে জয়নাৰৰ অনু-পস্থিতি আৰু এশ মিটাৰ দৌৰিবলৈ পূৰ্বৰ চেম্পিয়ন কাৰ্ললুইচৰ অযোগ্যতা প্ৰদৰ্শন উল্লেখ-যোগ্য ঘটনা।

## ব্যক্তিগত ইভেণ্টত সাফল্য :

কাৰ্ললুইচে এশ মিটাৰ দৌৰৰ পৰিবৰ্তে লং জাম্পতহে অংশ গ্ৰহণ কৰিবলৈ যোগ্যতা লাভ কৰে। ট্ৰেক এণ্ড ফিল্ডৰ আটাইতকৈ আকৰ্ষণীয়

ইভেণ্ট এশমিটাৰ দৌৰত প্ৰথম স্থান লাভ কৰে গ্ৰেটবৃটেনৰ লিনফোৰ্ড ক্ৰিষ্টিয়ে। এতিয়ালৈ ব্যক্তিগত শাখাত আঠটা সোণৰ পদক লাভ কৰি কাৰ্ল লুইচে অভিলেখ সৃষ্টি কৰে। একেদৰে বাৰ্চিলোনা অলিম্পিকত খেল প্ৰদৰ্শন কৰি আমেৰিকাৰ জেকী জয়নাৰ শ্ৰেষ্ঠ মহিলা খেলুৱৈ হিচাপে পৰিগণিত হয়। চাৰ্গেই বুবকা আকাশ লঙ্ঘা যাৰ পৰিকল্পনা, যি নিজে বিশ্ব ৰেকৰ্ড সৃষ্টি কৰি নিজে তাক ভাঙে, বাৰ্চিলোনা অলিম্পিকৰ পোলভল্টত তেওঁ হয় চৰম ব্যৰ্থ। তাৰ পৰিবৰ্তে মাক্সিম টাৰাচোঙ স্বৰ্ণপদকৰ গৰাকী হয় পোলভল্টত।

সন্মিলিত দলৰ জিমনাষ্টিক গাৰ্বো ভিটালি স্কেৰব' বাৰ্চিলোনা অলিম্পিকৰ মুখ্য আকৰ্ষণ আছিল। ব্যক্তিগতভাবে গাৰ্বো ভিটালিয়ে ছয়টা সোণৰ পদক লাভ কৰে।

চীনদেশৰ তেৰ বছৰীয়া ফু মিজ্ঞিয়াই ডাইভিঙত তিনিটা স্বৰ্ণ পদক লাভ কৰাটো এক উল্লেখনীয় সাফল্য।

বাৰ্চিলোনা অলিম্পিক প্ৰতিযোগিতাৰ প্ৰথম স্বৰ্ণ পদক লাভ কৰে স্কুলীয়া ছাত্ৰী য়ু কেব চুনে আৰ্চাৰিত আৰু শেষ স্বৰ্ণ পদকটি লাভ কৰে য়ং চোৱকে মাৰাথানত। এওঁলোক দুয়োগৰাকী খেলুৱৈ দক্ষিণ কোৰিয়াৰ।

## একক দ্বৈত আৰু দলীয় ভূমিকা—

সকলোতকৈ দৰ্শনীয় অঘটন ঘটে লন টেনিছত। বিশ্বৰ শীৰ্ষস্থানীয় খেলুৱৈসকলৰ পৰাজয় ঘটিছিল অনামী খেলুৱৈৰ হাতত। ষ্টেফী গ্ৰাফক পৰাজিত কৰি মহিলাৰ চিংগলছত আমেৰিকাৰ জেনিফাৰ কেপ্ৰিয়াটী চেম্পিয়ন হয়। পুৰুষৰ চিঙ্গলছত চেম্পিয়ন হয় চুইজাৰলেণ্ডৰ মাৰ্কৰ ছেট। মহিলাৰ ডাবলছত আমেৰিকাৰ মেৰিজো ফাৰ্ণাণ্ডেজ আৰু জিজি ফাৰ্ণাণ্ডেজ, পুৰুষৰ ডাবলছত জাৰ্মানিৰ বৰিচ বেকাৰ আৰু মাইকেল ষ্টীচে চূড়ান্ত বিজয়ীৰ সন্মান লাভ কৰে।

চুইডেন আৰু চীন ক্ৰমে চিংগলছ আৰু ডাবলছত চেম্পিয়ন হৈ স্বৰ্ণ পদক লাভ কৰে টেবুল টেনিচত।

বেডমিণ্টনৰ চিঙ্গলছত ইন্দোনেচিয়াৰ ছুচি সুশানি মহিলাৰ আৰু এলেনবাডি কুচুমাই স্বৰ্ণ পদক লাভ কৰে পুৰুষৰ শাখাত। বাস্তৱ জীৱনত এওঁলোক দুয়ো প্ৰেমিক-প্ৰেমিকা।

সাঁতোৰত আমেৰিকাৰ পূৰ্বৰ গৌৰৱ অক্ষুণ্ণ থাকে। ঘৰুৱা দল স্পেইনে জাৰ্মানিক ২-১ গলত হৰুৱাই স্বৰ্ণ পদক লাভ কৰে। ভলীবলৰ পুৰুষৰ শাখাত ব্ৰাজিল আৰু মহিলাৰ শাখাত কিউবাই প্ৰথম স্থান লাভ কৰে। বাস্কেট বলত আমেৰিকাই পুৰুষ আৰু সন্মিলিত দলে মহিলাৰ শাখাত বিজয়ী হয়। হেণ্ডবলৰ স্বৰ্ণ পদক পুৰুষৰ বিভাগত সন্মিলিত দলে আৰু মহিলাৰ বিভাগত সন্মিলিত দলে আৰু মহিলাৰ বিভাগত দক্ষিণ কোৰিয়াই স্বৰ্ণ পদক লাভ কৰে।

## ড্ৰাগছ কেলেঙ্কাৰী :

ড্ৰাগছ সেৱন কৰাৰ অপৰাধত বাৰ্চিলোনা অলিম্পিকৰ পৰা বিদায় লবলগীয়া হোৱা খেলুৱৈ কেইগৰাকীমান হ'ল আমেৰিকাৰ শট পুটাৰ

বনি দেছেক, হেমাৰ থ্ৰ'ৱাৰ জুড লোগান, চীনৰ ভলীবলৰ সদস্যা উ ডেং, লিথুৱানিয়াৰ মহিলা লংজাম্পাৰ নিজলে মেডৱাদেভা আদি। এওঁলোকে উচ্চমানৰ ফলাফল লাভৰ আশাত শক্তি বৰ্দ্ধক ড্ৰাগছ গ্ৰহণ কৰিছিল। এই ড্ৰাগছ, যাৰ উপ-স্থিতিয়ে আজি ক্ৰীড়া জগতত এক চিন্তাৰ কাৰণ হৈ পৰিছে। স্মৰ্তব্য যে চৈধ্য পৃষ্ঠাৰ এখনি সৰু পুথি বাৰ্চিলোনা অলিম্পিক ভিলেজত প্ৰতিযোগী সকলৰ হাতে হাতে দেখা গৈছিল। কিতাপখনৰ বিষয়বস্তু হৈছে নিষিদ্ধ ড্ৰাগছ সেৱন কৰিও কেনেদৰে ডোপ পৰীক্ষাৰ হাত সাৰিব পাৰি।

## ভাৰতৰ ব্যৰ্থতা ঃ

'ছাৰ্ক' অন্তৰ্ভুক্ত দেশ সমূহৰ ভিতৰত পাকিস্তানে হকীত ব্ৰঞ্জৰ পদক পোৱাৰ বাহিৰে আন কোনো দেশে পদক পাবলৈ সমৰ্থ নহ'ল। পচাশী কৌটি জনগণৰ দেশ ভাৰতৰ অৱস্থা আৰু শোচনীয়। অলিম্পিকৰ প্ৰস্তুতি স্বৰূপে ভাৰতীয় হকীদলে স্পেইন, হলেণ্ড, বৃটেন, জাৰ্মানিৰ বিৰুদ্ধে যি খেল প্ৰদৰ্শন কৰিছিল, তাৰ পৰা অন্ততঃ ভাৰতবাসীয়ে হকীত কিবা এটা পদক আশা কৰাটো অমূলক নাছিল। কিন্তু ভাৰতীয় হকীদলে পদকৰ পৰিবৰ্তে কঢ়িয়াই আনিলে চৰম ব্যৰ্থতা। ব্যক্তিগত শাখাত আৰ্চাৰ লিম্বাৰাম, এথেলেটিকছত ছাইনী উলছন, বেষ্টলাৰ সুভাষ বাৰ্মা সকলো বিফল হ'ল।

## অসমৰ দীপংকৰ ঃ

বাৰ্চিলোনা অলিম্পিকত পোন প্ৰথম বাৰৰ বাবে অন্তৰ্ভুক্ত কৰা বেডমিণ্টন প্ৰতিযোগিতাত অসমৰ দীপংকৰ ভট্টাচাৰ্যই নিঃসন্দেহে উচ্চ মানদণ্ডৰ খেল প্ৰদৰ্শন কৰিছিল। কোৱাৰ্টাৰ ফাইনেলত যোগ্য খেলেৰে বিশ্বৰ এক নম্বৰ বেডমিণ্টন খেলুৱৈ চীনৰ জিহঙৰ হাতত পৰাজয় বৰণ কৰে।

## উপসংহাৰ ঃ

মস্কোত অনুষ্ঠিত ১৯৮০ চনৰ অলিম্পিকৰ পিচৰ পৰাই ভাৰতবৰ্ষৰ খেলুৱৈসকল প্ৰতিখন অলিম্পিক সমাবেশৰ পৰাই উভতিছে ৰিক্ত-হস্তে। দেশৰ ক্ৰীড়া জগতত এই বিপৰ্যয় দেখি ক্ৰীড়া মন্ত্ৰীয়ে আন্তৰ্জাতিক ক্ৰীড়ামঞ্চৰ পৰা চাৰি বছৰলৈ আঁতৰি থকাৰ প্ৰস্তাৱ সংসদত উত্থাপন কৰিছে। ৰাষ্ট্ৰখনৰ বিভিন্ন প্ৰান্তৰ পৰা বাৰ্চিলোনাৰ প্ৰদৰ্শন সম্পৰ্কত ক্ষোভৰ উক্তি বিচ্ছুৰিত হৈছে। হয়তো চাৰি বছৰীয়া নিষেধাজ্ঞা মূৰপাতি লৈ নীৰৱ কৃচ্ছ্ৰ সাধনাত ব্ৰতী হোৱাটোৱেই হ'ব ভাৰতীয় খেলুৱৈৰ বাবে শ্ৰেষ্ঠ মাৰ্গ।

□□

# অসমীয়া লোক সাহিত্যত আইনাম ঃ এটি দৃষ্টিপাত

**ক্ষীৰদা মালী**
প্ৰবক্তা, শিক্ষা বিভাগ

সাহিত্য সমাজৰ দাপোণ স্বৰূপ। কোনো এখন সমাজ বা এটা জাতিৰ চিন্তাধাৰা, চাৰিত্ৰিক গুণ, আচাৰ-ব্যৱহাৰ, আশা-আকাংক্ষা, সেই সমাজৰ সাহিত্যত অভিব্যক্ত হয়। জাতীয় সাহিত্য জাতীয় জীৱনৰ দিনলিপি। জাতীয় জীৱনৰ সামূহিক অভিজ্ঞতা বা লোকবিশ্বাসৰ অভিব্যক্তি বুলিয়েই লোক সাহিত্যত জাতীয় জীৱনৰ প্ৰতিচ্ছবি দেখিবলৈ পোৱা যায়। সাহিত্যই লিখিত ৰূপ পোৱাৰ আগতে সহজ-সৰল গ্ৰাম্য জীৱন ধাৰা প্ৰতিফলিত জনসাধাৰণৰ মুখে মুখে বিভিন্ন অনুষ্ঠান, পূজা-পাৰ্বন আদিৰ মাজেৰে স্বচ্ছন্দভাৱে প্ৰকাশ পায়। বিয়ানাম, আইনাম, অপেচৰা নাম, ধাইনাম আদি তাৰ সুন্দৰ উদাহৰণ। এই অনুষ্ঠান, পূজা-পাৰ্বনৰ ভিতৰত 'আইনাম' বা 'শীতলা' নামৰ প্ৰভাৱ ভক্তিপ্ৰাণ সহজ-সৰল গাঁৱলীয়ালোকৰ ওপৰত অপৰিসীম। আইনাম ধৰ্মবিশ্বাস আৰু লোকবিশ্বাসৰ মণিকাঞ্চন সংযোগত সৃষ্টি হৈছে। বসন্ত মহামাৰীৰ মাৰাত্মক ৰূপৰ অন্তৰালত কোনো দৈৱিক শক্তি নিহিত আছে বুলিয়েই মানুহৰ ধাৰণা। সেই শক্তিৰ ওচৰত কৰা গীতিধৰ্মী প্ৰাৰ্থনাই হ'ল 'আইনাম'। অসমীয়া লোকৰ এটি বিশ্বাস যে বসন্ত ওলালে শীতলা পূজা কৰিলে এই ৰোগ নিৰাময় হয়।

আই মহামায়া বা দুৰ্গাৰ এটি ৰূপ বুলি ধৰা হয়। ঠাই আৰু জনগোষ্ঠী অনুসাৰে আইৰ নামত অনুষ্ঠিত অনুষ্ঠানৰ পাৰ্থক্য দেখা যায়। সাধাৰণতে ফুল, আখৈ, পিঠা, পায়স, কল, কুঁহিয়াৰ, অন্ন-অলংকাৰ, বস্ত্ৰ আদিৰে সাতখন বা ন-খন শৰাই পাতে। আৰম্ভণিৰে পৰা শেষলৈকে প্ৰতিটো কাৰ্য্যক্ৰমৰে স্বকীয়া নাম আছে।

ধৰ্মসাপেক্ষে অসমীয়া জন-সাহিত্যৰ ভিতৰত 'আইনাম' প্ৰধান। কামনাসিক্ত হ'লেও কিছুমান গীতত সৰলচিতীয়া অসমীয়া তিৰোতাৰ আই ভগৱতীৰ প্ৰতি অচলা ভক্তি আৰু গভীৰ বিশ্বাস ইয়াৰ মাজেৰে যিমান সুন্দৰ আৰু জকমকীয়াভাৱে ফুটি ওলাইছে—আন কোনো কথাৰ মাজেদি তেনেভাৱে ওলোৱা নাই। ধৰ্মপ্ৰাণা অসমীয়া নাৰীৰ অন্তৰৰ ভক্তি সৰোবৰৰ পৰা এই নামবোৰ নিজৰি নিজৰি ওলাইছে আৰু ফেঁটো ফোটোকাৰে বাঢ়ি আহি ভগৱতীৰ সমুদ্ৰত যেন বিলীন হৈ গৈছে। যদিও আইনামবোৰৰ অধিষ্ঠাত্ৰী দেৱী অম্বিকা, চণ্ডিকা, ভৱানী, কালিকা, দুৰ্গা, শীতলা আদি একাধিক পোৱা যায়, তথাপি এই সকলোবোৰ নামেই একেটা অৰ্থ-সূচক। এই আটাইকেইগৰাকী দেৱীক মহামায়া বা পাৰ্বতীৰ অন্যৰূপ বুলি বিশ্বাস কৰা হয়।

গাঁৱৰ বেমাৰ-আজাৰ, বিশেষকৈ বসন্ত ৰোগে ভুমুকি মাৰিলে মানুহৰ সীমাবদ্ধ জ্ঞান-বুদ্ধি আৰু শক্তিৰে ইয়াৰ প্ৰতিৰোধ কৰিব নোৱাৰে বুলি অসমীয়া তিৰোতাৰ বিশ্বাস। সেয়ে ইয়াৰ প্ৰতিকাৰ হিচাপে আইনামৰ ব্যৱস্থা কৰে। আগলতি কলপাতত আঢ়ৈ চাউল আৰু ন-বিধ ফুল দি এখন আসন সজোৱা হয়। তাৰ আগত ধূপ-ধূনা, নৈবেদ্য আদি দি তিৰোতাসকলে সৰল আৰু ভক্তিভাবে ৰাইজৰ কল্যাণৰ কাৰণে আই ভগৱতীক স্তুতি মিনতি কৰি গায়—

"প্ৰথমে প্ৰণাম কৰো আই ভগৱতী।
ভগৱতীক প্ৰণাম কৰো দিয়া অনুমতি ॥
আইকে প্ৰণাম কৰো দুই চৰণে ধৰো।
আইৰ চৰণত ভক্তি কৰি সুখ সাগৰক তৰো ॥"

জনবিশ্বাস মতে প্ৰাচীন কালত দৈত্য-দানৱৰ ভক্তিপূৰ্ণ আহ্বানত দেৱতা নামি আহিছিল আৰু তেওঁলোকৰ অভীষ্ট সিদ্ধি কৰিছিল। এনেস্থলত সৰলমনা তিৰোতাসকলে ভক্তিৰসত মতলীয়া হৈ আই ভগৱতী নামি আহি আসন লোৱাৰ মানসেৰে গায়—

"কৈলাসৰে পৰা আই নামি আহে
হৰবে মন্দিৰ চাই।
শুকুলা বস্ত্ৰে আসন পাৰিছো
আগবাঢ়ি বহা আই।"

আই নামত কোৱা হৈছে যে, আই ভগৱতীয়ে নৱ-মনিচৰ পূজা খাবলৈ আহে। কিন্তু ভক্তিমতী-সকলে পূজাৰ উপযুক্ত বস্তু বিচাৰি নাপায়। তেওঁলোকৰ এনে কোনো উপাচাৰ দ্ৰব্য নাই যাৰ দ্বাৰা আই ভগৱতীৰ পূজা-সেৱা কৰিব পাৰে। গি কেইবিধ সামান্য বস্তু আছে সিও এফালৰ পৰা নহয় এফালৰ পৰা অপবিত্ৰ, তাক আইৰ পূজাত লগাব নোৱাৰি। চাউল, দালি, লোণ, কল আদি সকলোবোৰ চুৱা বস্তু। সেয়েহে নিজৰ দীনতা আৰু অক্ষমতা স্বীকাৰ কৰি অতি বিনীত ভাবে আইৰ স্তুতি গীত আৰম্ভ কৰে—

"আই আহিলা আসনে বহিলা
সবাৰো মনত ৰং
ভগৱতীৰ চৰণ কি দিয়া পূজিম
মোৰে নাই বস্তু ধন।
ফলদিয়া পূজিম আই
পচি সৰি যায়
ফুল দিয়া পূজিম আই
ভোমোৰাই আগে খায়।

পাৰ্থিব সকলো বস্তুৱেই চুৱা। আনকি মন আৰু চিতবো সেই একে অৱস্থা—

"মন দিয়া পূজিম আই মন নাই ঠিক।
চিত দিয়া পূজিম আই পাপে জৰ্জৰিত ॥

এইদৰে বিভিন্ন স্তুতি-প্ৰাৰ্থনা যাৱতীয় কাৰ্য-ক্ৰমৰ অন্তত আসন তোলাৰ সময়ত গোৱা হয়—

"আসন দাঙি দিয়া উঠক মহামায়া
চলে লাহে লাহে কৰি
পথৰ পথিক পথ এৰি দিয়া
আই যায় আৰ্শীবাদ কৰি।"

সচৰাচৰ এইখিনিতে আইৰ গতানুগতিক স্তুতি নাম শেষ হয়। আই নামবোৰৰ মাজেদি দুই এটা অসমীয়া জাতীয় আৰু ঘৰুৱা চিত্ৰৰো

আভাস পোৱা যায়। কপাহী কাপোৰ আৰু পীৰাৰ লগত অসমীয়া নাৰী জীৱনৰ বৰ সম্বন্ধ। সেয়েহে আই নামৰ মাজেদি ফুটি ওলাইছে "আইৰ পাৰ মচা কপাহী গামোচা, আইৰ জালিকটা পীৰা।" ওচৰত থকা নদীৰ লগত অসমীয়া নাৰীৰ সম্বন্ধ নিবিড়। তেওঁলোকে নদীৰ পৰা কলহেৰে পানী আনে আৰু তাত লাহ-বিলাহকৈ গা-ধোৱে। অসমীয়া তিৰোতাৰ এইটো এটা অপৰিহার্য নিত্যকর্ম। গতিকে অসমীয়া নাৰীৰ কল্পনাত আজি "পিছলাৰ ঘাটতে আয়ে পানী তোলে, তামৰে কলসী লৈ," "পিছলাৰ ঘাটে আয়ে স্নান কৰে, লাহৰে কেশ তাৰি মেলি!" যদিও 'কৈলাসৰে পৰা আই নামি আহে" তথাপি অসমীয়া ঘৰৰ নাৰীৰ কল্পনাত আই ভগৱতীৰ বাসগৃহই অসমীয়া ঘৰৰ ৰূপৰ আভাস নলৈ থকা নাই—"দেৱী আইৰ ঘৰখনি এ সুবর্ণৰে।" ন-বোৱাৰী স্বামী গৃহ এৰি আহিলে ঘৰখন শুদা হৈ যায়। এনেস্থলত যদি তেওঁ আকৌ ঘূৰি আহোঁতে পলম কৰে, তেনেহলে মানুহ পঠাই তেওঁক তাগিদা দিয়ে। এইটো অসমীয়া সমাজৰ এটি ঘৰুৱা চিত্ৰ। আইৰ নামতো এই চিত্ৰই সুন্দৰভাবে ৰূপ লৈছে—

"আই আহিবৰে হ'ল বহুদিনে
মহাদেউ পঠাইছে সাৰা
যোৱা নে নোযোৱা আই মহামায়া
কৈলাসে হৈ আছে শুদা।"

শীতলা পূজাৰ প্ৰসঙ্গত অসমৰ একাংশ জনজাতিৰ মাজত প্ৰচলিত বসন্ত ৰোগৰ পূজাৰ বিষয়েও দুআষাৰ ক'ব পাৰি। জয়ন্তীয়া সকলে বসন্তক এগৰাকী দেৱী ৰূপে মানে আৰু বসন্তৰ দাগ লভাটো ডাঙৰ সন্মানৰ কথা বুলি ভাবে। সাঁচ যিমানেই দ হয়, সন্মানো সিমানেই ডাঙৰ বুলি বিবেচিত হয়। আইৰ গুটি সাঁচক তেওঁলোকে "দেৱীৰ চুমা" বোলে। বসন্ত ৰোগীয়ে ব্যৱহাৰ কৰা পানীৰে তিৰোতাসকলে মূৰ ধোৱে আৰু বসন্ত ৰোগীৰ ঠাইলৈ ল'ৰা-ছোৱালী লৈ আহে। ৰোগীৰ ঘৰ পৱিত্ৰ বুলি জ্ঞান কৰা হয় আৰু দুৱাৰত থোৱা চৰিয়াৰ নিকা পানীৰে ভৰি-হাত ধুইহে মানুহে ভিতৰলৈ সোমোৱাৰ নিয়ম। খাছিয়াসকলৰ বসন্তৰ দেৱতা পুৰুষ, 'উ ছিয়েম নিআং থিল্লিউ'। আঙ্গামি নগা সকলে বসন্তৰ মহামাৰী আঁতৰাবলৈ নৰবলি দিছিল।

আইনামত সামাজিক বুৰঞ্জী আৰু লোক-বিশ্বাসৰ এটা অংশ ফট্‌ফটীয়া হৈ উঠাৰ উপৰিও কাব্যিক সৌন্দর্য আৰু সাহিত্যিক মূল্যৰ ফালৰ পৰাও ই বহু পৰিমাণে চহকী। আই-নামত নাৰীমনৰ কাৰুণ্যকাতৰ অভিব্যক্তি ফুটি উঠিছে। আইনামৰ চিত্ৰ, শব্দচয়ন, প্ৰকাশ ভঙ্গী অতি কোমল আৰু আলসুৱা। নাৰী কণ্ঠৰ মনোমোহা ভাষা আৰু ল'নি সুৰে যেন দৈৱিক শক্তিৰো অন্তৰ স্পর্শ কৰি যায়।

সেয়ে অসমীয়া লোক-সাহিত্য আৰু সংস্কৃতিৰ সৃষ্টি হোৱা আইনামৰ এক উল্লেখযোগ্য স্থান ভঁৰালত ধৰ্ম আৰু লোক-বিশ্বাসৰ সমন্বয়ত আছে। ×× 

---

সহায়িকা পুথি :

১। অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা :
ড° লীলা গগৈ।

২ সাহিত্য আৰু সংস্কৃতি :
ড° হৰিনাথ শৰ্মাদলৈ।

---

জীৱনৰ প্ৰতিটো মুহূৰ্ত্তৰে একোটা মহৎ উদ্দেশ্য আছে। সেই চৰম উদ্দেশ্য সাধনাৰ কাৰণে কৰা কঠোৰ প্ৰচেষ্টাতেই জীৱনৰ অৰ্থ লুকাই আছে।

—মেক্সিম গৰ্কী

---

# ৰাদুলি

**ললিত চন্দ্ৰ ৰাভা**
স্নাতক তৃতীয় বাৰ্ষিক

কিংকৰ্তব্য বিমূঢ় হৈ মিঃ বৰুৱাৰ ঘৰৰ পৰা ওলায়ে পলাশে দেখিবলৈ পালে সেই মৰ্মান্তিক দৃশ্যটো। ৰাস্তাৰ কাষৰ টিউব লাইটৰ পোহৰত সি দেখিলে, বিজুলীতাঁৰত লাগি বাদুলি এটা ধপ্‌ধপাই আছে। তাৰ ক্ষীণ শক্তিৰে চেষ্টা কৰি আছে শক্তিশালী বিদ্যুৎ প্ৰৱাহিত তাঁৰৰ পৰা নিজক মুক্ত কৰিবলৈ। সৰ্বশক্তি প্ৰয়োগ কৰিও সি হাৰ মানি গ'ল। কিছু সময় ধপ্‌ধপাই থাকি বিজুলী তাঁৰৰ মাজেৰে প্ৰৱাহিত শক্তিশালী বিদ্যুতত তাৰ অকণমানি প্ৰাণটো সপি দিলে। ক্ষন্তেক পাছতে নিঃসাৰ দেহটো তাঁৰত ওলমি পৰিল। পলাশে অনুভৱ কৰিলে বাদুলিটোৰ সমগ্ৰ যাতনাই যেন তাৰ হৃদয় স্পৰ্শ কৰিছে। লগে লগে তাৰ হৃদয় যন্ত্ৰৰ কম্পন বৃদ্ধি হ'বলৈ ধৰিলে।

তাঁৰত ওলমি থকা বাদুলিটো চাই চায়েই সি আগবাঢ়িল। দূৰৰ পৰা ভাঁহি অহা কোনোবা উদ্‌ভ্ৰান্ত ডেকাৰ সঙ্গতিবিহীন হাঁহিত তাৰ সম্বিত ঘূৰি আহিল। হাতেৰে বুকুখন হেঁচা মাৰি ধৰি আগবাঢ়ি থাকিল। হঠাতে জোঙা শিল এটাত উজুটি খাই সি লুটি খাই বাগৰি পৰিল। ভৰিৰ বুঢ়া আঙুলিৰ পৰা তেজ ওলাবলৈ ধৰিলে। লংপেণ্টৰ জেপৰ পৰা ৰুমালখন উলিয়াই তেজখিনি মচিবলৈ উদ্যত হৈয়ো সি থমকি ৰ'ল। সুন্দৰ এম্‌ব্ৰইডাৰী কৰা ৰুমালখনলৈ স্থিৰ দৃষ্টিৰে কিছু সময় চাই ৰ'ল। অকস্মাৎ অনাই-বনাই ফুৰা কুকুৰ এটা তাৰ ওচৰত উপস্থিত হ'ল আৰু ভুকিবলৈ ধৰিলে। অস্থি-চৰ্ম সৰ্বস্ব কুকুৰটোৰ অতপালি দেখি তাৰ এই অৱস্থাতো বাগৰি বাগৰি হাঁহিবলৈ মন গ'ল। গছৰ সৰাপাত এখিলাৰে তেজখিনি মচি ল'লে আৰু ৰুমালখন পুনৰ জেপত ভৰাই এইবাৰ সি ওলোটা ফালে ঘূৰি যাত্ৰা কৰিলে। বৰুৱাৰ ঘৰলৈ অৱশ্যে এইবাৰ তাৰ এই যাত্ৰা নহয়। এটা সময়ত বৰুৱাৰ ঘৰ এৰি অইন সৰু ৰাস্তা এটিৰে সি আগবাঢ়িল। এই খণ্ড ৰাস্তা অৱশ্যে এন্ধাৰে আৱৰা। বহুতে কয় ৰাস্তাটোৰ এই অংশৰে বৰুৱা অহা-যোৱা নকৰে, গতিকে তাত বাস কৰা মানুহখিনিৰ বাবে বিজুলীৰ অৱস্থাও হৈ উঠা নাই। বাৰিষা ৰাস্তাটোৰ বোকা আঁঠু পায়। মানুহবোৰ অৱশ্যে এইবোৰৰ স'তে অভ্যস্ত। এইবোৰ লৈ সিহঁতৰ মূৰ ঘমোৱাৰ সময়ৰো

অভাৱ। দৰিদ্ৰতাৰ লগত যুদ্ধ কৰি কৰি বুঢ়া-মানুহখিনি আৰু বুঢ়া হৈ যায়। আন হাতে তথাকথিত আধুনিকতাৰ সৰ্বগ্ৰাসী যুৱচাম দিক্-ভ্ৰষ্ট, কৰ্মবিমুখ। মাক-বাপেকৰ কষ্টোপাৰ্জিত ধন খৰচ কৰি ডেকা চামে চাৰিআলিৰ চ'কত আড্ডা মাৰে, ছোৱালী জোকাই, হিন্দী চিনেমাৰ গীত গাই, বিকৃত হাঁহি মাৰে। কোনোবা শিক্ষকৰ উপনাম আৱিষ্কাৰ কৰে, ছোৱালীৰ কথা ভাবে। এইবোৰৰ বাহিৰে উচ্চ চিন্তা কৰাৰ ক্ষমতা সিহঁতৰ লোপ পাইছে।

পলাশৰ আজি কালি মাক-দেউতাকৰ অৱদানৰ কথা ভাবিলে দুখত মন ভাঙি পৰে, পঢ়াৰ নামত তাৰ, কমতো কষ্ট স্বীকাৰ কৰা নাই মাক-দেউতাকে ! কষ্ট কৰি কৰিয়ে দেউতাক বেমাৰী হ'ল। ফলা-ফল কিন্তু শূন্য। কেৱল অভাৱৰ এখন পাহাৰ আৰু নিৰাশাৰ এক নিচ্ছিদ্ৰ ক'লা মেঘৰ চামনি। এতিয়া তেওঁলোকে আশাভঙ্গৰ হতাশাত এক বোবা যন্ত্ৰণা বুকুত বান্ধি লৈ নিজৰ অসুখীয়া আৰু অভাৱগ্ৰস্ত শৰীৰ টানি লৈ ফুৰিছে।

মাক-দেউতাকৰ দৰে সিও আশা কৰিছিল এদিন তাৰ চাকৰি হ'ব। অভাৱগ্ৰস্ত ঘৰখনত হাঁহি বিৰিঙিব। মাক-দেউতাক আৰু ভনীয়েকে অধিক কষ্ট নকৰিলেও চলিব আৰু ফটা কাপোৰ পিন্ধিব নালাগিব। এইখিনি হ'লেই তাৰ সহজ সৰল জীৱনৰ বহুখিনি সমস্যা আঁতৰি যাব। কিন্তু তাৰ চাকৰি নহ'ল। এটা এটাকৈ বহুকেইটা 'ইন্টাৰভিউ' দি সি ভাগৰি পৰিল। গণতন্ত্ৰৰ মুখাপিন্ধি নিজকে সমাজ সেৱক বুলি কৈ ফুৰা ৰাষ্ট্ৰৰ ৰৰমূৰীয়াসকলৰ স্বাৰ্থপৰ মনোভাৱৰ বাবে তাৰ চাকৰি নহ'ল আৰু হয়তো কোনোদিনে তাৰ চাকৰি নহ'বও। কিন্তু আজি…

তাৰ হাত-ভৰি কঁপি উঠিল; বুকুখনো। থিয় হৈ সি মৃত মানুহৰ দৰে নিঠৰ হৈ ৰ'ল বহু সময়। তাৰ পাছত সি ভাবি ভাবি বুঢ়া গৰুৱে বিৰাট বোজাৰ গাড়ীখন টানি নিয়াৰ দৰে তাৰ কম্পিত বুকুখন টানি নিবলৈ ধৰিলে তাৰ ভাগৰুৱা শৰীৰটোৰ খীণ শক্তিৰে।

কিছুদূৰ যোৱাৰ পাছত সি ৰ'ল। তাৰ চিন্তাৰ আঁতটোও ছিঙি গ'ল। বহুত পুৰণি কাঠৰ গেট-খন খুলি সি ভিতৰলৈ সোমাই গ'ল। অচিন ফুলৰ তীব্ৰ সুবাসে তাক আলোড়িত কৰিলে।

"তুমি ও যে মা !" গোলাপীয়ে কোৱা কথাখিনি সি শুনিবলৈ পালে। "পলাশ দাই চাকৰি পাবই। দেখিছাই দেখোন, আজি বৰুৱা চাহাবে তেওঁক মাতি লৈ গৈছে। এনেয়ে নিয়া বুলি নাভাবিবা।"

ফুলৰ সুবাসে ৰঞ্জিত কৰা তাৰ মনটোত অসহনীয় আঘাত লাগিল। সজোৰেৰে কোনোবাই চাবুকেৰে আঘাত কৰিলে। বায়ু এৰি দিয়া বেলুনৰ দৰে তাৰ মনটো হঠাতে কোঁচ খাই গ'ল।

—"অ' পলাশদা, আহা আহা, বহাহি। নাই নালাগে, ৰুমৰ ভিতৰলৈকে আহা, আহানা।" মাকৰ ওচৰত বহিব খোজা পলাশক এক প্ৰকাৰ টানি নিয়া দি গোলাপীয়ে ৰুমৰ ভিতৰলৈ লৈ গ'ল।

—"আমি যে তোমাৰ অপেক্ষাতে আছিলোঁ পলাশদা। দেউতাহঁত শুলেই। দিনটোৰ কামৰ অন্ততঃ ভাগৰি পৰে নহয়।" এইবাৰ একেবাৰে কাণৰ ওচৰলৈ মুখখন নি সুধিলে : "অই, বৰুৱা চাৰেনো তোমাক কিয় মাতিছিল?" কথাখিনি শুনাৰ লগে লগে মুহূৰ্ততে তাৰ মনত পৰি গ'ল অলপ আগতে বৰুৱাৰ ঘৰৰ সেই সৰু কমটোত ঘটি যোৱা ঘটনাটো। সি চকী এখনত অতি সংকোচ মনে বহি আছে। সন্মুখত আন এখন চকীত উপবিষ্ট হৈ আছে বিৰাট সম্পত্তি আৰু ক্ষমতাৰ প্ৰতিভূ মিঃ বৰুৱা। আভিজাত্যপূৰ্ণ ঢাঙেৰে তাক সুধিছে -"তোমাৰ দেউতাৰা কালি মোৰ ওচৰলৈ আহিছিল।" সি আচৰিত হৈ প্ৰশ্ন কৰিলে—" দেউতা আহিছিল?"

—"আহিছিল। কি হ'ল, আচৰিত হ'লা যে?" "নহয়, মানে ... ..." দেউতাক যে কেতিয়াবা বৰুৱাৰ ঘৰলৈ আহিব পাৰে, এই কথা যেন সি বিশ্বাসেই কৰিব নোৱাৰিলে।

—"মই বুজিছোঁ, তোমাৰ দেউতাৰা আগেয়ে কোনোদিন মোৰ ওচৰলৈ অহা নাছিল। কিন্তু কালি আহিছিল কেৱল তোমাৰ কাৰণে।"

—"মোৰ কাৰণে?"

—"কিয়? তুমি জানো হাইস্কুলৰ শিক্ষকৰ পদৰ বাবে আবেদন কৰা নাছিলা?"

সি—"হয়" বুলি মূৰ দুপিয়ালে।

"মই ইয়াৰ আগতে এই বিষয়ে একো ভবা নাছিলোঁ। কাৰণ তোমাৰ লগতে আন ভালেকেইজন প্ৰাৰ্থী আছিল। কিন্তু দেউতাৰাই কথাটো কোৱাৰ পিচত মই ভাবি চালোঁ। আমাৰ স্কুলখনৰ বাবে তোমাৰ দৰে চোকা ল'ৰা এজনৰ বৰ প্ৰয়োজন। তুমি চাকৰিটো পোৱা বুলি ধৰি ল'ব পাৰা, কাৰণ আন প্ৰাৰ্থীৰ তুলনাত তোমাৰ যোগ্যতা অধিক।"

তাৰ যে ভাগ্য ইমান সুপ্ৰসন্ন ভাবিবই পৰা নাছিল। আচৰিত হৈ গৈছিল সি। আৰু এটা কথাত পলাশ বিশেষকৈ আচৰিত হৈছিল যে কথাখিনি কোৱাৰ সময়ত বৰুৱাৰ মুখত এটি আবেগৰ অভিব্যক্তি সি যেতিয়া প্ৰত্যক্ষ কৰিছিল। সাধাৰণতে বৰুৱা কোনো কথাতে আবেগিক হৈ নপৰে। —'তুমি চাকৰিটো পাবা খাটাং; কিন্তু বিনিময়ত তুমি মোক সামান্য উপকাৰ কৰি দিব লাগিব।"

—"কি উপকাৰ কৰিব লাগিব বাৰু আপোনাৰ? আপোনাৰ দৰে ব্যক্তি এজনৰ উপকাৰ কৰিব পাৰিলে মই নিজকে ধন্য মানিম।" কথাখিনি শুনি বৰুৱাৰ মুখত এটি হাঁহিৰ ৰেখা বিৰিঙি উঠিল। বাওঁ ভৰিখন সোঁ ভৰিৰ ওপৰত তুলি বৰুৱাই কলে —"তুমি সন্ধ্যাক বিয়া কৰাব লাগিব।" অকস্মাৎ পলাশৰ মুখৰ পৰা বাহিৰ হৈ আহিল কেইটামান শব্দ—"বিয়া? সন্ধ্যা? আপোনাৰ ছোৱালী সন্ধ্যাক ........?"

"ঠিকেই শুনিছা।" কিছু সময় আগতে আবেগত মুখৰ হৈ পৰা বৰুৱা এইবাৰ যেন কঠোৰ হৈ পৰিল। "শুনা, চাকৰিটো পাবলৈ হ'লে তুমি সন্ধ্যাক বিয়া কৰাব লাগিব। তোমাৰ দেউতাৰায়ো তাকে বিচাৰে। কাৰণ তুমি চাকৰি এটা নাপালে তোমালোকৰ ঘৰখনৰ ভৱিষ্যত

অন্ধকাৰ। তুমি অতি সোনকালে ইয়াৰ সদুত্তৰ এটি দি দিবা।" বৰুৱাই তাক একো ক'বলৈ সুযোগ নিদি ভিতৰলৈ সোমাই গ'ল। পলাশ প্ৰথমতে হতভম্ভ হৈ তাতে কিছু সময় বহি ৰ'ল। তাৰ চকুৰ আগত ভাহি উঠিল সন্ধ্যাৰ ছবি। কেইদিনমান আগতে ঠিকাদাৰ এজনৰ লগত বিয়া হোৱাৰ কথা আছিল। বিয়া ঠিক হৈ যোৱাৰ পিছত ল'ৰা জনৰ লগত মুকলি-মূৰীয়াকৈয়েই ফুৰিছিল, বেডমিণ্টন খেলিছিল, নিৰ্জন কোঠাত বহি কেৰম খেলিছিল। নতুন উচ্ছ্বাসেৰে জীৱনৰ সকলো আনন্দ, হাঁহি স্ফুৰ্তিক আঁকোৱালি লৈছিল। কিন্তু বিয়ালৈ মাত্ৰ কেই-টামান দিন বাকী থাকোঁতেই এদিন আকস্মিক ভাৱে ল'ৰাটো অন্তৰ্দ্ধান হ'ল। সন্ধ্যাৰ জীৱনলৈ নামি আহিল এক গভীৰ সংকট। অবৈধ মিলনৰ সাক্ষী স্বৰূপে তাইৰ গৰ্ভত স্থিতি ল'লে এক অবাঞ্ছিত সন্তানে। সমাজত নিজৰ ভাব-মূৰ্ত্তি ম্লান হোৱাৰ আশঙ্কাত বৰুৱাই যি কোনো প্ৰকাৰে জীয়েকক কাৰোবাৰ হাতত গতাবলৈ স্থিৰ কৰিলে। পলাশকেই বৰুৱাই চিকাৰৰ লক্ষ্য হিচাপে সুযোগ গ্ৰহণ কৰিলে চাকৰিৰ প্ৰলোভন দেখুৱাই। পলাশক হাততে পাই এই সুযোগৰ সদব্যৱহাৰ কৰিবলৈ বৰুৱা বিশেষ তৎপৰ হৈ উঠিল। প্ৰৱল গড়াখহনীয়াৰ পৰা তাৰ ঘৰখনক উদ্ধাৰ কৰিবলৈ পলাশক চাকৰি এটা লাগে। কিন্তু চাকৰি এটাৰ বিনিময়ত সি জানো সন্ধ্যাৰ দৰে পথভ্ৰষ্টা ছোৱালী এজনীক বিয়া কৰাব পাৰিব। তাইৰ কুকীৰ্তিৰ কাহিনী অঞ্চল-টোৰ সকলোৰে জ্ঞাত। তাইৰ জীৱনত এনে বিপৰ্যয় ইয়াৰ আগতেও কেইবাবাৰো ঘটি গৈছে। এনে ক্ষেত্ৰত সেইজনী দুঃচৰিত্ৰা ছোৱালীক জানো বিয়া কৰাব পাৰি? তাৰ মানসপটত এনেবুৰি প্ৰশ্নই খেলিমেলি ৰূপত ভাস্বত হৈ উঠিল। তাক কিন্তু যি কোনো প্ৰকাৰে চাকৰি এটা লাগেই। ৰুগ্ন মাক-দেউতাকৰ চিকিৎসাৰ বাবে, ভনীয়েকৰ মঙ্গলৰ বাবে তাক চাকৰি এটা লাগিবই।

—"একো নোকোৱা কিয়?" গোলাপীৰ মাতত সি সম্বিৎ ঘূৰাই পালে। বেৰত ওলমি থকা গোলাপী আৰু তাৰ সৰু কালৰ স্থিৰ ফটো-খনলৈ কিছুসময় চাই সি উত্তৰ দিলে গহীন সুৰত— "কিয় মাতিছিল জানা, বৰুৱাৰ জীয়েক সন্ধ্যাৰ সৈতে গল্প কৰিবলৈ। গোলাপী চকখাই উঠিল। পলাশে ধেমালি কৰা নাইতো? তাইৰ কপালৰ শিৰবোৰ থোপ খালে।

—"সঁচা কথা কোৱা বৰুৱা চাহাবে কি ক'লে? তেওঁ তোমাক চাকৰিৰ প্ৰসঙ্গত হে মাতিছিল নহয় জানো?"

পলাশে দীৰ্ঘশ্বাস এৰি ক'লে "চাকৰি মই পাম, চাকৰি মোক দিব গোলাপী, কিন্তু এটা স্বত্ত।"

—"স্বত্ত? কি সেই স্বত্ত?"

"সন্ধ্যাক মই বিয়া কৰাব লাগিব।"

"—বিয়া? তুমি সন্ধ্যাক ..... দুয়ো হাতেৰে চকু-মুখ ঢাকি গোলাপী উচুপি উঠিল।

—"সঁচা কথা গোলাপী। চাকৰি যদি মই কৰিব খোজো—বিনিময়ত গোলাপীক বিয়া কৰাব লাগিব।"

"এতিয়া তুমি কি কৰিবা?"

—"সেয়াইতো সমস্যা। এফালে অভাৱ গ্ৰস্তা মা-ভনী আৰু তোমাৰ অকৃত্ৰিম প্ৰেম আৰু

আনফালে চাকৰিৰ প্ৰলোভন। চাকৰি হ'লে তোমাৰ প্ৰেমক উপেক্ষা কৰি বিকৃত ৰুচি সম্পন্না সন্ধ্যাক বিয়া কৰাৱ লাগিব আৰু তোমাৰ প্ৰেমক প্ৰাধান্য দিলেও চাকৰি অবিহনে আমাৰ ভৱিষ্যত, ঘৰখৰ ভৱিষ্যত অন্ধকাৰ।

—"পলাশদা ?"

—"তোমাৰ প্ৰেমেৰে, তোমাৰ চিন্তাৰে মোৰ ভৱিষ্যত, মোৰ ঘৰখনৰ ভৱিষ্যত নচলে। চলিব টকাৰ ঝন্‌ঝন্‌নিৰে আৰু মই নিজক বিক্ৰি কৰি লোৱা চাকৰিটোৰে। আচলতে দৰিদ্ৰতাৰ মাজতে থাকি আমি প্ৰত্যেকে প্ৰত্যেকক ভাল পোৱাটোৱেই আছিল ভুল।

—"তাৰ মানে তুমি সন্ধ্যাক বিয়া কৰাবা সামান্য চাকৰি এটাৰ বিনিময়ত ? এদিন তুমিয়েইতো কৈছিলা, বিপদত পৰিলেও নিজৰ ব্যক্তিত্বক বিক্ৰি কৰিবলৈ নাপায়। কিন্তু তুমি নিজেই এটি সামান্য চাকৰিৰ লোভত ব্যক্তিত্বক বেচিবলৈ ওলাইছা কিয় ? আচলতে তুমি ইমানদিন নিজকে প্ৰৱঞ্চনা কৰাৰ উপৰিও আনকো প্ৰৱঞ্চনা কৰি আছিলা। তুমি ঠগ, প্ৰবঞ্চক, প্ৰতাৰক।" উন্মাদিনীৰ দৰে হুকহুকাই কান্দিবলৈ ধৰিলে গোলাপীয়ে। অলৰ-অচৰ হৈ এই সকলো কথা যেন বেৰত ওলমি থকা পলাশ আৰু গোলাপীৰ ছবিখনে চাই আছিল। পলাশ আৰু গোলাপীয়ে দুজনে সিজনক হাতত ধৰাধৰিকৈ থকা অৱস্থাৰ এই ছবিখন তোলা হৈছিল কোনোবা এটি আবেলিৰ ক্ষীণ পোহৰত।

গোলাপীয়ে মন কৰিলে পলাশে তাইৰ কথাত কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই। তীব্ৰ এক অপমানত তাইৰ সৰ্বশৰীৰ কঁপি উঠিল। পুনৰ উচ্চস্বৰত তাই চিঞৰি উঠিল ;—"পলাশ দা, এইখন খাটিখোৱা মানুহৰ ঘৰ, নিজৰ শক্তি-সামৰ্থ্যৰ ওপৰত নিৰ্ভৰ কৰি চলা মানুহৰ ঘৰ। নিজৰ ব্যক্তিত্বক বিক্ৰি কৰি খোৱা মানুহৰ ঘৰ নহয়। অনুগ্ৰহ কৰি ঘৰৰ পৰা ওলাই যাওক, ওলাই যাওক। এইখন মোৰ ঘৰ, মোৰ - - - বুকুফাটি ওলাই অহা কান্দোনত তাই ভাঙি পৰিল। সজোৰে বুকুখন হেঁচা মাৰি ধৰি তাই মজিয়াত বহি পৰিল। পলাশে কিংকৰ্ত্তব্য বিমূঢ় হৈ কি কৰো কি নকৰো ভাবি থাকোঁতেই দুৱাৰ মুখত গোলাপীৰ মাক উপস্থিত হ'ল। গোলাপীৰ মাকে তাক কিবা ক'ব খুজিছিল যদিও ইতিমধ্যে মজিয়াত পৰি চটফটাবলৈ ধৰা গোলাপীক দেখি সজোৰে সাৱট মাৰি ধৰিলে। 'গোলাপী, গোলাপী কি হৈছে তোমাৰ, কি হৈছে ?"

- "নাই মোৰ একো হোৱা নাই মা। পলাশ দাক আমাৰ ঘৰৰ পৰা বাহিৰ হৈ যাবলৈ দিয়া।"

মাকৰ কোলাত চট্‌ফটকৈ থাকি বিৰ্‌বিৰ্‌কৈ প্ৰলাপ বকি থকা গোলাপীক তাৰ বিজুলী তাঁৰত ওলমি থকা বাদুলীটোৰ দৰেই লাগিল। সি অনুভৱ কৰিলে তাৰ দেহৰ ভিতৰখন মেগ্‌মা গহ্বৰত প্ৰচণ্ড উত্তাপত মেগ্‌মাবোৰ উতলি থকাৰ দৰে এক তীব্ৰ যন্ত্ৰণাত উতলিবলৈ ধৰিলে। সি হাতেৰে শক্তি প্ৰয়োগ কৰি বুকুখন হেঁচামাৰি ধৰি বাহিৰলৈ ওলাই আহিল। বাহিৰত তেতিয়া ঘোৰ অন্ধকাৰ। মাত্ৰ মিঃ বৰুৱাৰ চৌহদটোহে তেতিয়াও অন্নসন্ধানী বাদুলীটোৰ তেজখোৱা বিদ্যুতৰ পোহৰেৰে পোহৰ হৈ আছিল। ★